


# কবিতাৰ পৃথিৱীত

# কেইটিমান স্তৱক ঃ সময়ৰ

বিশ্বজ্যোতি মহন্ত
সহযোগী অধ্যাপক
ইতিহাস বিভাগ



## আজাৰ ফুলৰ বতৰ

দুখৰো উঠেনে উজান?
মোৰ কলিজাৰ প্ৰতি টোপালত
আহত ঋতুৰ কেতেকী তান!

## প্ৰস্তৰ ইতিহাস

সময় পালেই মই
নৰটিয়াঙলৈ যাওঁ
উদ্ভান্ত, উদ্বাহু মন'লিথ চাওঁ
প্ৰস্তৰ প্ৰান্তত উদ্গমিত পুষ্পৰ
নিশাহৰ গীত এটি গাওঁ
ৰূপালী চুলিত বহা
দুপৰৰ সোণোৱালী
উশাহত ৰ'দৰ ৰুমাল।

(নৰটিয়াঙ মেঘালয়ৰ এটি অঞ্চল য'ত সঞ্চিত হৈ আছে একেটা শিলতে কাটি উলিওৱা মন'লিথ অথবা শৈল স্তম্ভ।)

## সংগ্ৰামী



টপ্পা, ঠুংৰী তাৰাণা যিয়েই নহওক
তাই আপোনমনে গান গায়,
পাখিবোৰ সোলোকাই
নিশাহত কলিজা শুকায়।

ব'হাগ আহিল নে নাই.........
হেৰোৱা কাঁইট বিচাৰি যায়
কিয়নো
তাই
কাঁইটত গান গোৱা চৰাই।

# জোনবিল মেলালৈ আহা.....



✍ **দিপীকা ৰয় মেধি**
মূৰব্বী অধ্যাপিকা, দৰ্শন বিভাগ

জীৱনৰ অমিয়া সুধা
পিয়লা ভৰাই আহা
আহা সখী আহা
আহা আহা আহা
জোনবিল মেলালৈ আহা
ইযে হিয়া দিয়া নিয়াৰ বেহা
আহিছা যে আজি মোৰ পদূলিত মিলন মাধুৰী লৈ
আহিছা সাদৰী অই
বই, গুলপ্ৰিঞ্চ বতৰা।
হিয়াই হিয়াই প্ৰেমৰ বতৰা।
বস্তুবাদী যান্ত্ৰিকতা আৰু
কৃত্ৰিমতাৰ পাহাৰ ভাঙি
মানৱীয়তাৰ অকৃত্ৰিম
স্নিগ্ধ শীতল জোনাকত
সৰে মিলিজুলি
মানৱীয়তাৰ নৈত
উটুৱাই দিওঁ আহা
অমৰ প্ৰেমৰ শ্বাসত ডিঙা
আহা আহা জোনবিল
মেলালৈ আহা।
গুণগুণ গানে গানে
ৰিৱৰিৱ বতাহে বতাহে,
আকৌ আহিবনে আমাৰ
আশৈশৱ লৰালি?

আহিবনে ল'ৰালিৰ
সেই নিৰ্দোষ ধেমালি?
চিঙা সূতাৰ আঁত বিচাৰি
এইবেলি ব'হাগত
হৃদয়ৰ ফুলেৰে বুটা তুলি
পাৰিমনে দিব?
আই অসমীক ভমকাফুলীয়া, হাতেবোৱা
বিহুৱানখনি?
আহা সখী আহা
আমি সৰে মিলি
বুকুৰ মাজলৈ
টানি নিওঁ আহা,
ভয়াৰ্ত মানুহৰ
শীতাৰ্ত দুহাত,
সলনি কৰি দিওঁ
মানুহৰ হৃদয়ৰ বৰণ
ৰৌদ্ৰোজল প্ৰভাতৰ পৰশত....
নৈৰপাৰৰ শিমলুজোপাত
দেও দি দি গান গোৱা
অচিনাকী চৰাইজনীৰ
সুললিত সুৰত
নকৈ সজীৱিত হওঁক
মলঙি যোৱা হৃদয়ৰ
প্ৰেম আৰু অনন্য বিশ্বাসৰ
হাঁহি আৰু উল্লাসেৰে
মানুহৰ পাহাৰ ভৈয়াম।

# সোঁৱৰণীৰ প্ৰহেলিকা

✍ নিবেদিতা দেৱী
অধ্যাপিকা, সংস্কৃত বিভাগ




'অষ্টলক্ষ্মী'ৰ সঁচ
অসমতে জহে যশ,
ৰসৰ ৰাজৰ সৌৰা
জন্মজয়ন্তীৰ বেলা।
উছাহৰ মধু লগন
বেদনাৰে আহত মন,
স্মৃতিচাৰণৰ বেলাই
ভাষাৰ লটি-ঘটিখন!
অভিজ্ঞ কাণ্ডাৰীৰ মেল
আৱেগ গুৰিতে নেছেল,
ক'ত আছে লিখি থোৱা -
অসমৰ ৰাজ্যভাষা
কাজে-কামে অসমীয়া?
অতিথিৰ কথাৰ চাক
চেৰেকীৰ নাচনী-পাক,
বিজুলী-বেগত ঘূৰি
নিমিষতে ৰাখে ফাঁক -
কোনেনো ধৰিব পাৰে
ব্যঞ্জনাৰ ছলাহী ৰাগ?
বুজিও নুবুজা হোৱা
আছে কিছু এচকুৱা,
গহীন-গম্ভীৰভাৱে
ৰাখে তাল-মান;
সাহিত্য-চ'ৰাৰ বতাহ
ওফৰাব খোজে মেল
ভাষা-জননীৰ গাই জয়গান!
জাতিটোৰো ৰয় সন্মান!
সাহিত্যৰ সম্পাদক
সাহিত্য-সঞ্চালনতে মগন,
কথাৰ লাচতে আনে
কৰি থৈ যায় ঋণী-
আছে তাৰ কিবা সমিধান?

পুৰণিয়ে দি যোৱা
আতকীয়া ভাষা এয়া -
অসমীয়া যাউতিযুগীয়া,
অতীত গৌৰৱ সিঁচি
সৃষ্টিৰ মালিতা ৰচি
মোহনীয়া হওক অনুক্ষণ;
বাজক মৃদঙ্গ-ডবা
নিমাতে-নিৰলে ৰোৱা,
সাহিত্যৰথীৰো সেয়ে
হয় যদি হ'ক সেৱা -
সোঁৱৰণীৰ ফেঁহুজালি
ডেৰশ বছৰীয়া।

# যুঁজ

✍ ডেইজী ৰানী দেৱী
শিশু উন্নয়ন প্ৰকল্প, বিষয়া, বেজেৰা
মনোবিজ্ঞান



নতুন উদ্যমত
হাবি কাটি পথ উলিয়াম,
পথ ও ৰুদ্ধ গতি উফৰাই
নতুন বুৰঞ্জী ৰচিম
আকৌ নিজৰ প্ৰাপ্য
আঁজোৰাৰ যুঁজত নামিম,
প্ৰতাৰনাৰ ফুল ফুলা
অবিশ্বাসৰ বাগিছাত,
মই আকৌ বিশ্বাসৰ গছ ৰুম
মোৰ কণ্ঠ ৰুধিবলৈ
মোক বাধ্য নকৰিবা,
মোক শক্তিৰ বীজ সিচিবলৈ
তোমালোকৰ দৰদী কণ্ঠৰে
মুহূৰ্তত ৰণ শিঙা বজাই দিয়া।
অন্যায় অবৈধতাৰ পিঞ্জৰাত
মোক পুতৌৰে বান্ধি নথবা,
মোক উৰিব দিয়া ডেউকা মেলি
মই উৰিলে মেঘৰ সৈতে যুঁজিম।
বৰষুণ দেখিলে নীড়লৈ নাহো ঘুৰি,
প্ৰখৰ ৰ'দত জীয়াই থাকিবলৈ
[illegible]ৰালৈকে যুঁজিম।

# উকা

✍ পাৰ্থ প্ৰতীম পাঠক
প্ৰাক্তন ছাত্ৰ

এটি কলম আৰু এখন উকা কাগজ
গোলাকাৰ যাত্ৰাত আওঁপকীয়া উদ্দেশ্য।।
ৰৈ আছে,
পোহৰ-এন্ধাৰৰ এক যুগলবন্দী
অমানিশাৰ এই বিৰল যাত্ৰাত
জোনাক দেখাৰ হেঁপাহ......


# আমাৰ যাত্ৰা

জুনজুন্ ৰুণজুন
কʼলৈ যোৱা বাৰু?
আমি যাম গুৱাহাটীলৈ
লগত লৈছো লাৰু।
শংকৰদেৱ কলাক্ষেত্ৰ
চাবলৈ যাম,
যাদুঘৰ, তৰাঘৰ
চিৰিয়াখানা চাম।
মামাৰ লগত যাম আমি
মামাৰ লগত যাম,
গুৱাহাটী মহানগৰ
ঘুৰি ঘুৰি চাম।।

# এজাক গীত গোৱা চৰাই

পাৰ্থ প্ৰতিম পাঠক
বি এচ চি, চতুৰ্থ যান্মাষিক

এনেকৈয়ে আহিছিল এদিন পৃথিৱীৰ বুকুলৈ,
এজাক চৰাই।
সিহঁতৰ সুৱদী কণ্ঠেৰে নিগৰি পৰিছিল
মোৰ দেশৰ মাটিত শান্তি সমৃদ্ধিৰ
এখনি তলবল যৌৱনা নৈ।
মহানগৰ কিম্বা লোকাৰণ্যৰ মাজত ফুলি উঠিছিল
অহিংসা, প্ৰেম, মানৱতাবোধৰ
এখনি সেউজী পৃথিৱী।
সিহঁতৰ পাখিৰ মৃদু বা
মোৰ দেশৰ মাটিত
মানুহৰ বুকুত
একোটি সুখৰ স্বপ্ন হৈ বিয়পি পৰিছিল।
অথচ! এনেকৈয়ে এদিন গুচি গ'ল সিহঁত
নীৰৱে কোনো অচিন প্ৰান্তলৈ....
কোনো অচিন প্ৰান্তলৈ....



# ধূলিকণা

বৰ্ণালী চক্ৰৱৰ্তী
এচ.এস., প্ৰথম বৰ্ষ

মই কোন, মই এটি ক্ষুদ্ৰ ধূলিকণা।
মই কোন, ফাগুন অহাৰ বাতৰি দিয়া মইয়ে ধূলিকণা
মই কোন, মানুহে গচকি ভৰিৰ চিন থৈ যোৱা
মইয়ে ধূলিকণা হয় মইয়ে এটি ক্ষুদ্ৰ ধূলিকণা
অনন্ত বিশ্বৰ অসংখ্য ধূলিৰ, এটি মাত্ৰ ধূলিকণা মই।
মই মৰিলেও জগতৰ কিবা জানো হানি হ'ব?
মই মৰিলেও পৃথিৱীৰ কিমান জনেনো খবৰ পাব?
মই মৰিলেও দিন গলে ৰাতি হ'ব।
জোন বেলি ওলায়ে থাকিব।
কাৰণ মই এই জগতৰ এটি ক্ষুদ্ৰ ধূলি কণা।


# অনিৰ্বাণ

জোনালী দেৱী
কৰ্মচাৰী গ্ৰন্থগাৰৰ
পণ্ডিত তীৰ্থনাথ শৰ্মা, গ্ৰন্থগাৰ

গতিৰ জানো শেষ আছে
এই গতি নিৰ্বান;
ৰোধিবৰ শক্তি জানো
আছে কাৰোবাৰ?
অন্যায়, অপ্ৰীতি, অসূয়া
দেখা দিয়া য'ত ব্যাধি সমাজৰ;
দম্ভ, অহংকাৰ, গৰ্ব
নিপাত যাওক সময়ৰ গতিত।
সমাজ গঢ়াৰ আছে সপোন
শিক্ষাই আমাক দিছে জ্ঞান,
অপশক্তিবোৰ কৰি পৰিহাৰ
শিক্ষাৰ কৰোঁ সদ্ ব্যৱহাৰ।
মানৱতা আজি কলুষিত
সমাজ ব্যৱস্থাও প্ৰদূষিত,
এই অৱস্থাৰ হ'বনে অন্ত
সময়ে ল'বনে দায়িত্ব?
আৰু যে সময় নাই
উভতি চোৱাৰ
এতিয়া সময় হ'ল
আগবাঢ়ি যোৱাৰ।
এই গতি নিৰ্বান
ৰোধিবৰ শক্তি
আছেনে কাৰোবাৰ।।

# এখনি নৈ

ৰাজীৱ মেধী
পণ্ডিত তীৰ্থনাথ শৰ্মা গ্ৰন্থাগাৰ



এখনি নৈ
গৈ আছিল সদায়েই বৈ
জীৱনৰ সকলো আশাক
গৈছিল উটুৱাই লৈ
এখনি হিয়াৰ পৰা
আন এখনলৈ
দুখন হিয়াৰ মাজেৰে
প্ৰকৃত মৰমক লৈ
আহিছিল এদিন বান
ৰাখিবলৈ নদীৰ মান
বাঢ়ি গৈছিল পানী
বুৰাই পেলাবলৈ পাৰ,
হিয়াৰ মাজত থকা মৰম
সঁচা যদিও
লবলৈ প্ৰমান তাৰ
আৰু মৰম এনাজড়ীক চিঙি
কৰিবলৈ থান-বান।

# প্ৰত্যাশাৰ বাণী



প্ৰতিষ্ঠা ভৰদ্বাজ
পৰ্যটন পৰিচালন বিভাগ
দ্বিতীয় যান্মাসিক

অশ্ৰুৰ সোঁতে
ৰূপ লৈছে আজি ভয়ংকৰ
প্ৰলয়ংকাৰী
টেমচ, মিচিছিপি
গংগা, ব্ৰহ্মপুত্ৰ।
উটি ভাঁহি গৈছে
মানৱতা, পৰোপকাৰিতা,
মান,লজ্জা, শালীনতা।
নৱ প্ৰজন্মৰ উশাহত হুমুনিয়াহ
বাৰ্দ্ধক্যৰ তেজৰ গ্লানি......।
সকলো উটি যাব অশ্ৰুৰ বানত।
নিকা হৈ পৰিব
ৰাঙলী সূৰুযে ৰং বুলোৱা
সেউজী ধৰণী,
বুটা বছা চাদৰেৰে পিন্ধিব
পবিত্ৰ প্ৰভাতী ওৰণি।
পুনৰ গাব সুৰীয়া গান
শান্তিৰ কপৌহাল,
বিশ্বশান্তিৰ এই জয় জয়কাৰ
বাজিব সমূহৰ হৃদয়ত
সূৰুযে পোহৰাব চৌদিশ।।

# প্ৰাগজ্যোতিষ মহাবিদ্যালয়

শ্ৰীলখিমী দেউৰী
গ্ৰন্থাগাৰ বিভাগ




ধন্য প্ৰাগজ্যোতিষ মহাবিদ্যালয়
ধন্য হোৱা তুমি,
তোমাৰ জ্যোতিৰে উজ্বলাই তুলিবা
শিক্ষক-শিক্ষাৰ্থী-কৰ্মচাৰীক।
চিৰ-উদ্ভাসিত সূৰ্য্যৰ দৰে
জিলিকি ৰোৱা তুমি,
তোমাৰ জয় গানেৰে মুখৰিত হওঁক
গোটেই অসমবাসী।।
যিদৰে আকাশৰ সূৰ্য্যই জিলিকায়
গোটেই জগতখনি,
সেইদৰে তুমিও ৰাখিবানে ধৰি
সকলোকে এক কৰি।
তোমাৰ জ্যোতিৰ বাবে হাঁহিব
মোৰ দৰে দুখীয়াৰ প্ৰাণ
নাজানো এই প্ৰাণ আছে কাৰ বাবে
হব ক'ত বা শেষ,
প্ৰাণৰো প্ৰাণ তুমি
প্ৰাগজ্যোতিষ মহাবিদ্যালয়
হোৱা চিৰ জ্যোতিষ্মান।।



# আই

✍ দিপজ্যোতিনন্দ ভট্টাচাৰ্য্য
বি এ চতুৰ্থ যাম্মাষিক

কলিজাৰ তেজেৰে লিখিব খুজিছোঁ
আই তোৰে নাম,
তেজে তেজে, সিৰাই সিৰাই বৈ আছে
আই তোৰে গান।
কত শতৰু,
আহিলে ঐ! তোৰে বুকু উদং কৰিবলৈ
অন্ধকাৰ চোতালত জোনাকীৰ চাকিৰে
জীয়াই ৰখাৰ প্ৰয়াস কৰিছোঁ
আই তোৰে গান।
প্ৰতিহী কলাকৃষ্টি
কেনেকৈ বিলিন হ'ব দিওঁ বাৰু শতিকাৰ বুকুত,
সেয়াইতো আমাৰ আচল সম্বল,
আৰু নো কি আছে নিজৰ বুলিবলৈ।
মোৰ মনত ভেদ-ভাৱ নাইঅ' বোপা
হিন্দু কি মুছলমান,
বড়ো কি নেপালী,
সবে আমি একেটি সমান।
শান্তিৰ বাতাবৰণ জগাই তুলিব লাগিব
বিশ্বৰ প্ৰতিটো কোণত,
ধৰাৰ বুকুত জিলিকাই তুলিব লাগিব
প্ৰতিজন অসমীয়াৰ মান।
আহ! আজি প্ৰতিজন বিশ্ববাসী ওলাই আহ্
শান্তিৰ বিজয় পতাকা,
আমি একেলগে উৰুৱাওঁ।



# জননী

✍ অমৰ জ্যোতি বৰুৱা

হে' জননী মা জীয়াই আছোঁ
কেবল তোমাৰ সুৰক্ষাৰ বাবে,
মোহ মায়া ত্যাগ কৰিছোঁ
কেৱল তোমাৰ বাবে
তোমাৰ সুখত আমি সুখী মা
তোমাৰ দুখত আমি দুখী
তোমাক শান্তিত ৰখা মানেই
বিশ্বশান্তি।
জন্মৰ দিনৰ পৰা ঋণী হৈ ৰৈছোঁ
নিজে জীয়াই থকা দিনলৈকে
তোমাৰ সুৰক্ষাত মগ্ন অ' মা
বিশ্ব দৰবাৰত নিজৰ মাৰ
অস্তিত্ব ধৰি ৰাখিব খুজিছোঁ
মৰাৰ দিনাও তোমাৰ লগতে
বিলীন হৈ যাম
তুমি শান্তিত থকা মানেই
বিশ্ব শান্তিত থকা।
তোমাৰ বাবে জীয়াই আছোঁ
আৰু থকালৈকে তোমাৰ হ'কৈ
থাকিম অ' মা।

# সম্প্ৰীতি

অনুপম হাজৰিকা
বি. এচ. চি, ষষ্ঠ যান্মাষিক

মাতৃভূমিৰ প্ৰতি থকা প্ৰেম-ভালপোৱা
একত্ৰিত হৈ সৃষ্টি হয় শান্তিৰ,
নানা জাতি
নানা ধৰ্ম,
ভিন্ন সংস্কৃতি
ভিন্ন বেশ,
তথাপিও আমি একত্ৰিত।

প্ৰকৃতিয়ে দিখুৱাইছে নিদৰ্শন,
বায়ু পানী মাটি
অবিৰত গতিত
কৰি গৈছে নিজৰ কাম
নাৰাখি ভেদ-বিচাৰ।

ন সৃষ্টিৰে আকৰ্ষিত জীৱ
হৈছে সৃষ্টি, ভিন্ন ৰাজ্য
ভিন্ন দেশৰ।

এটি সূৰ্য্য
এটি চন্দ্ৰ,
সকলো জীৱৰে
আশ্ৰয় স্থল।

আত্মাৰ শান্তি
জীৱৰ শান্তি
মানৱ শান্তি
ইয়েই বিশ্ব শান্তি।।

# জনতাৰ আৰ্তনাদ

সাগৰিকা ঠাকুৰীয়া
দ্বিতীয় যান্মাসিক, প্ৰাণীবিজ্ঞান




নিষ্পেষিত শোষিত জনতাৰ
আৰ্তনাদত কঁপিছে সমাজ।
কেউপিনে নীলা শিয়ালৰ আৰাও।
আমি খাবৰ বাবে জীয়াই আছোঁ
নে জীয়াই থাকিব খাইছোঁ?
এটা উত্তৰবিহীন প্ৰশ্ন।
উলংগ দেশত ধোবাৰ কি প্ৰয়োজন?

নিষ্পাপ শিশুৰ কান্দোনত
ভূ-লুণ্ঠিত মানৱতা
শাসকদলৰ হাতোঁৰাত
বিধ্বস্ত আমাৰ স্বাধীনতা।

আমাক লাগে স্বাধীনতা,
আমাক লাগে নতুনত্ব,
আমি নতুন যুগৰ যাত্ৰী,
আমি বিচাৰো শান্তি
বিশ্ব শান্তি!

# জন্মভূমি



পাথিক ৰয়
বি.এ. দ্বিতীয় যান্মাষিক

শান্তি বিচাৰি গোটেই পৃথিৱী ফুৰিলো,
শান্তি বিচাৰিব গৈ বহুতৰ সান্তনা পালো;
শেষত নিজা মাতৃভূমিতে আহি শান্তি পালো,
শান্তি বিচাৰিব গৈ আফ্ৰিকাৰ পৰা আমেৰিকা
গৈ পালো,

অসমতে আহি পালো
মৰম, স্নেহ, আদৰ
নিজা মাতৃভূমিক কৰিছিলো অবহেলা;
শেষত অসমতে আহি
পালো সকলো সন্মান, বিশ্বশান্তি।।

# তুমি সুখী হোৱা

চানি আমল আহমেদ
ষষ্ঠ ষান্মাষিক, পদাৰ্থ বিজ্ঞান

ওচৰত থাকিও আঁতৰি যাওঁ মই
তুমি সুখী হোৱা চাবলৈ

তোমাৰ চাৱনিৰ সৰগখন
তোমাৰ হাঁহিৰ ফুলনিখন
প্ৰেমৰ উপত্যকাত থাকি
আকোৱালি লব মন যায় তোমাক
গোটেই জীৱন, দুবাহুৰ মাজত

কেঁচা তেজে ভেদ নিবিচাৰে মৰমী
প্ৰেমৰ দৰে, বিচাৰে মাথো সিৰা-উপসিৰা

ৰাতিৰ এন্ধাৰ ফালি দেখো তোমাক
ৰঙীণ সপোনেৰে প্ৰেমৰ মোহনাত
পাহাৰৰ ৰূপ লোৱা মৰমক থমাই ৰাখো
তুমি জোন হৈ চাই থকাৰ আশ্বাস দি

মৰমৰ কে.দি.দাস
তোমাৰ প্ৰেমত পৰাৰ বহুদিনেই হ'ল
ক'ব পৰা নাই ব্যথাৰ দোমোজাত
তোমাক হেৰুওৱাৰ উপক্ৰমত

হিয়াখন তোমাকেই থাপি দিলো
অনুৰোধ! তুমি আহিবা
এৰি যাব লগা হ'ল প্ৰেমৰ সন্ধিক্ষণত
তুমি সুখী হোৱা চাবলৈ।।

# কৱিতা

## মোৰ ভালপোৱা

জিয়াৰুল হক
পঞ্চম ষান্মসিক, পদাৰ্থ বিজ্ঞান

মই যাব খোজো সদায় তোমাৰ কাষলৈ
কিয় বা থাকা তুমি সদায় আঁতৰি
আহি গৈছোঁ মই তোমাৰ জীৱনলৈ
কিয় বা থাকা তুমি সদায় আঁতৰি

মোৰ জান তুমি মোৰ প্ৰাণ তুমি
নুবুজা কিয় মোৰ সকলো তুমি
সকলো দুখঃ কষ্ট যাব কমি
যদিহে হোৱা মোৰ আপোন তুমি!!!

সুখৰ পৰশতে মনৰেই মাজতে
বাঢ়ে সব তোমাৰেই সুখ
গোপনে গোপনে!!!

দীপজ্যোতি বৰ্মন
স্নাতকোত্তৰ চতুৰ্থ, অসমীয়া

কতজনে প্ৰাণ হেৰুৱালে
নাম পালে কিছুমানে শ্বহীদ
কিছুমানৰ নাম হেৰাই থাকিল
কালনাশী সময় সোঁতত।
নিৰীহ আছিল তেওঁলোক
লছু ভেগাছ, চিৰিয়া অথবা গণেশগুৰীৰ
দোষ আছিল কি তেওঁলোকৰ?
দোষ এটাই.............
তেওঁলোক নিৰ্দোষী।
হেজাৰ হেজাৰ সপোন
লুকায় ধোঁৱাৰ আঁৰত
অস্তিত্বহীন হয় নিমিষতে
ফুলকুমলীয়া ক'ত আশা।

সভ্য মানৱৰ এই ধৰা
সন্ত্ৰাসেৰে ক্ষয়ী নকৰিবা
শান্তিৰ কিছু চেষ্টাৰে
বিশ্বক ধ্বংসৰ পৰা মুক্ত কৰা।
মানৱক জীয়াই থকাৰ অধিকাৰ দিয়া।
যুদ্ধৰে নহয়.......
বিশ্বক শান্তিৰে ন-কৈ গঢ়া।

# অসমী আই

শিখাশ্ৰী দেৱী মেধী
প্ৰাক্তন ছাত্ৰী



অসমৰ ৰাজনীতিৰ কঠীয়াতলীত
বিশ্বাসঘাটক উপজিলে
যিয়ে জাতিৰ সুৰক্ষা
উন্নতিৰ সোৱাদ দিব নোৱাৰিলে।
বিশ্বাসঘাটক, জাতিৰ ঘাটক
হুচিয়াৰ তহঁতক —
যদি তহঁতে বন্ধ নকৰ
ভোটৰ স্বাৰ্থত জাতিদ্ৰোহী খেল
সংগঠন আৰু দল নালাগে
আমি অসমীয়া ৰোধিম সিহঁতক,
ৰক্ষা কৰিম অসমী আইৰ ........
জাতি, মাটি, সংস্কৃতি, ভাষা আৰু বেশ।।
অনা অসমীয়া, হিন্দু আৰু মুছলমান বিদেশীৰ
হাতত আমি নহওঁ সৰ্বস্বান্ত
জাগি উঠিব সকলো জাতি-জনজাতি
অসমী আইৰ সুৰক্ষা কৰিম হস্তগত।

# বিচলন



অঞ্জলী কলিতা
এইচ. এচ. প্ৰথম বৰ্ষ

মনৰ অভ্যন্তৰত মোৰ
অস্বস্তি, বৰ অস্থিৰতা.........
হঠাৎ গুমৰি উঠে
উন্মাদপ্ৰায় তেজৰ স্বাভাৱিক বৰষুণ.....
তোমাৰ লগত মোৰ বিস্তৰ মতভেদ
মোৰ নিকটৱৰ্তী.... পাৰ্থিব বাস্তব
তোমাৰ দুচকুত....অসম্ভৱ স্বপ্নৰ প্ৰদেশ।
প্ৰতীক্ষাৰ সন্মুখত নতজানু মই
মেহগনি বৰণৰ আকাশখন
মোৰ অশ্ৰুৰ মেঘত আক্ৰান্ত........
বাস্তৱৰ পৰা পলাই
মই আত্মগোপন কৰো
ৰুগ্নতাই কান্ধত বোজা কৰি আনি দিয়া
শব্দৰেই মই কবিতা লিখো ........
মোৰ কবিতা... মোৰ ভুলবোৰৰ সমাৰোহ
মোৰ নিঃকিনতাৰে......!
ক্ষমা কৰিব....
মই একোকেই দিব নোৱাৰো
মোৰ প্ৰণয়....মোৰ তাৎক্ষণিক বিচলন।।

# বিশ্ব শান্তি

টুটুমণি শৰ্মা
বি.এ., ষষ্ঠ ষাণ্মাষিক



বিশ্ব শান্তি!
হাঃ হাঃ
মোৰ মতে এটা সুন্দৰ কৌতুক,
এটা কথা কওকচোন
আপুনি সুখী?
আপোনাৰ ঘৰখন বা চহৰখনেই সুখীনে?
জাক জাক জোঙাল নখৰ সমষ্টি এই দেশ
আৰু সেই দেশৰ সমষ্টি বিশ্বত শান্তি?
এইখন বিশ্বত,
মাটিৰ প্ৰতিমাই সোণৰ অলংকাৰ পিন্ধে
কিন্তু
অনাহাৰে কটায় ফুটপাথৰ জনগণ।
অথবা আল্লাহক দিয়া হয় জন্তুৰ কুৰবানী।
কেতিয়াবা নৰহত্যা।
হাজাৰ হাজাৰ পণবন্দী হয়
অথবা জ্বলি যায় ঘৰবোৰ আক্ৰোশত
কিয়?
আমি কোন?
মানুহ?
জীৱশ্ৰেষ্ঠ হেনো আমি?
যুদ্ধবিৰতি জানেই নহয়?
মানুহে কৰা যুদ্ধনীতি
মানুহৰেই উলংঘন,
আকৌ কয় বিশ্বশান্তি।
যদি পাৰে আইৰ মুখত হাঁহি আনক
যদি পাৰে
দেউতাৰ কোঙা কান্ধখনক বোজাহীন কৰক
যদি পাৰে
নিৰক্ষৰজনৰ পৰাও শিকক জীৱনৰ পাঠ
ধূলিত লুতুৰি পুতুৰি
সেই গৃহহীন শিশুবোৰলৈ চাওঁক এবাৰ
চকুবোৰে বহু কথাই কব,
অথবা
এটা কফিনত মাটিৰ প্ৰয়োজন কিমান
কওক আপোনাৰ সন্তানক,
মৃত্যুৰ পিছত কিমান সম্পদ দিয়া হয় লগত ৰোধ কৰাওক।
আৰু,
উপাৰ্জনহীন ডেকা ল'ৰাটোক ঘৰৰ বোজা বুলি নাভাৰক।
শান্তি আহিব।
সেই শান্তিয়ে বিশ্ব চুব।

# সপোনৰ শিখা

✍ **প্ৰিয়ংকা দত্ত**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক (ক'লা শাখা)

অন্তৰৰ পৰা যিয়ে গাব পাৰে গান
তেৱেঁই সকলোৰে আদৰ্শত
শক্তিমান।

গানৰ শব্দবোৰ মনত
সময়ে মোহাৰি পেলায়
কোনেও নেদেখে হৃদয়ৰ
স্মৃতিৰ পোহৰ।
তেওঁৰ প্ৰতিটো শব্দই ঢাকি
থৈছে তেওঁৰ মুখ।
চাকিৰ পোহৰত বৈ যায়
তেওঁৰ দুচকুৰ পানী
কোনেও নুশুনে, কেনেকৈ বুজাম
সপোনত দেখা স্মৃতিৰ বুকুৰ
মাজত লুকাই থকা শব্দবোৰ।
ৰঙীণ, সুগন্ধী সপোনবোৰ
বতাহৰ মাজত বৈ যায়,
তেওঁৰ বুকুৰ মাজত
জ্বলিছে,
শব্দবোৰ লাহে লাহে তেওঁৰ
কাণত পৰিছে।
সেয়া নিষ্ঠুৰ প্ৰতিধ্বনি শব্দৰ
সপোনৰ শিখা।

# মোৰ দেশ

✍ **জ্যোতিষমান বৰ্মন**
বি এচচি দ্বিতীয় ষাম্মাষিক

আহ! জনতা ওলাই আহ!
আকৌ বিচাৰি যাওঁ,
ৰাইজৰ বাবে
দেশ বচাবৰ কাৰণে
একাঁজলি বিশ্বশান্তি।
নেলাগে আমাক ধোঁৱা-বাৰুদৰ হুংকাৰ
নেলাগে কান্দোনৰ ৰোল
লাগে মাথো শান্তি সমৃদ্ধি
নানা জাতি, মানুহৰে ভৰপুৰ
আমাৰ দেশমাতৃৰ বাবে
একাঁজালি বিশ্বশান্তি।

# মানৱতা

✎ হিমাদ্ৰী দাস
বি এ ষষ্ঠ ষাম্মাষিক (অসমীয়া)

ক্ষন্তেক ৰৈ দিয়া চোন!
আজৰিৰ সময়কণো নেহেৰুৱাবা........
হেপাহ পলুৱাই হাহিম একেলগে আমি
এদিন হয়তো সেই এটা সময় আহিব
যেতিয়া আমি সময়ক হৰুৱাম আৰু!
যাম এটি নিৰ্দিষ্ট দূৰত্ব অতিক্ৰম কৰি
তাত নিস্তব্ধ হ'ব সকলো।
ক্ষন্তেক ৰৈ যাম আমি
বতাহৰ কোমল অনুভৱবোৰে
মনবোৰ মুকলি কৰিব।
সেইদিনা শিশুৰ কিৰিলিৰ পৰা
যন্ত্ৰৰ শব্দবোৰো ভাগৰি পৰিব
আৰু এটি শান্তিৰ প্ৰতিচ্ছবি ভাঁহি
উঠিব নিজৰাটিত।

এদিন সকলো ভাগৰি পৰিব
সময়ৰ সন্মুখত, সিদিনা হ'ব আমাৰ জয়।
আমিও আত্মনিৰ্ভৰশীল হ'ম।
ভয়াতুৰৰ ভয়ক দমন কৰি
শান্তিৰ শ্বাস-প্ৰশ্বাস ল'ম।
মাতৃৰ বুকুৰ মৰম উদাস কৰি
যোৱা পোনাটোৰ আত্মাইও
কৰবাত আজি হাঁহিব,
কিৰিলি দিব,
বন্ধ হ'ল মা সকলো বন্ধ হ'ল
আজিৰ নতুন প্ৰজন্মই
সময় সলনি কৰিলে......
পৰিৱেশ সলনি হ'ল।
তথাপি আমি আশাবাদী।

# ব'হাগ আহিলে

✍ চৰনম চুলতানা
বি. চি. এ., পঞ্চম যান্মাযিক

চ'ত গৈ ব'হাগ আহিলে
গছে মেলিলে কুঁহিপাত
কপৌ ফুলিলে তগৰ ফুলিলে
কুলি-কেতেকীৰ মিঠা মাতে
মনত প্ৰেমৰ ভাৱ জগালে।

মোৰ পাটগাভৰু মনটো
চঞ্চল হৈ উঠে
তুমি অহাৰ বাবে।

সাতোৰঙী ফুলবোৰে
পাতিলে ৰঙৰ মেলা
তুমি অহাৰ বাবে।

মদাৰ, পলাশ, শিমলুৰে
আকাশ ৰঙালে
তৰি দিলে চন্দ্ৰতাপ
তুমি অহাৰ বাবে।

ডেকা-গাভৰুয়ে হুচৰি গায়
আনন্দত ধৰণী মতলীয়া হয়।



# শব্দবিহীন কবিতাটি

✍ নয়ন জ্যোতি দাস
বি এ প্ৰথম যান্মাষিক (হিন্দী)

জোনাকী পৰুৱা মই
হেৰাইছোঁ নিজৰ বাট,
যদিওবা তৰা এটি
জিলিকি আছে মোৰ গাত।

আনৰ বাটৰ সাৰথি আজি
সন্ধানহীন মই,
কোনেনো বিচাৰি আহিব
ক'ত যে হেৰালো গৈ।

ধূসৰ ধূলিয়ে আৱৰি ধৰিছে
দেখা নাই মই একো,
মোৰ অন্ধকাৰত ডুবি আজি
উপচিছে মোৰ চকু।

জীৱন বাটত পিচলি মোৰ
হেৰাইছে মুখৰ মাত,
এতিয়া যেন উঠিবও
শকতি নাই গাত।

জীৱন নামৰ কিতাপখনিৰ
লুটিয়াই আছোঁ পাত,
যদিওবা মোৰ শব্দবিহীন কবিতাটিৰ
মূলভাৱ নাছিল তাত।